*Total number of printed pages–4*

**1 (Sem–2) ASS**

**2024**

**ASSAMESE**

Paper : ASS0200104

*[ অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস*
*( ১৮২৬ চনৰ পৰা ২০০০ চনলৈ ) ]*

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) 'ইয়াণ্ডাবু সন্ধি' কেতিয়া হৈছিল?

(খ) 'অগ্নিকবি' বুলিলে কাক জনা যায়?

(গ) 'হেমকোষ' অভিধানখনৰ প্ৰকাশৰ চনটো লিখা।

(ঘ) 'আৱাহন' কাকতখন কোন চনত প্ৰকাশ হৈছিল?

(ঙ) অসমীয়া সাহিত্যত 'উপন্যাস সম্ৰাট' বুলি কাক কোৱা হয়?

*Contd.*

(চ) 'জোনাকী' কাকতখনৰ প্ৰথম সম্পাদক কোন আছিল?

(ছ) 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' শীৰ্ষক কবিতা পুথিখনৰ লিখক কোন?

(জ) নৱকান্ত বৰুৱাই সাহিত্য অকাডেমী বঁটা পোৱা উপন্যাসখনৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)* ২×৬=১২

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) আধুনিক অসমীয়া কবিতাৰ *দুটা* লক্ষণ লিখা।

(গ) কথা-কবিতাৰ *দুটা* বৈশিষ্ট্য লিখা।

(ঘ) ৰঘুনাথ চৌধাৰীৰ *দুখন* কবিতাপুথিৰ নাম লিখা।

(ঙ) ৰজনীকান্ত বৰদলৈয়ে লিখা প্ৰথম উপন্যাসখনৰ নাম উল্লেখ কৰি উপন্যাসখনৰ প্ৰকাশৰ চনটো লিখা।

(চ) চৈয়দ আব্দুল মালিকৰ চুটিগল্পৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) ভবেন্দ্ৰনাথ শইকীয়াৰ 'গহ্বৰ' গল্পটি তেওঁৰ কোনখন চুটিগল্প পুথিৰ অন্তৰ্গত? গল্পটিৰ পটভূমি কি?



(জ) 'আৰু দুমাহৰ মূৰত কমুদ জোঁৱাই খাটিবলৈ আহিব'— 'মিৰিজীয়ৰী' উপন্যাসখনত উল্লেখ থকা 'জোঁৱাই খটা' মানে কি বুজা?

(ঝ) আৰাহ্ন যুগৰ *দুজন* গল্পকাৰৰ নাম লিখা।

(ঞ) অসমীয়া সাহিত্যৰ 'বেকন' কোন? তেওঁৰ একমাত্ৰ গীতৰ পুথিখনৰ নাম লিখা।

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) 'অৰুণোদই' কাকতৰ অৱদান

(খ) হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যকৃতি

(গ) অসমীয়া ৰোমাণ্টিক কবিতাৰ লক্ষণ

(ঘ) 'প্ৰকৃতি' কবিতাটিৰ বিষয়বস্তু

(ঙ) অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য

(চ) ড° মাইলচ্ ব্ৰন্সনৰ গদ্যৰীতি

(ছ) 'কাঠফুলা' গল্পৰ মমতাজৰ চৰিত্ৰ চিত্ৰণ

(জ) কবি নীলমণি ফুকন

৪। তলৰ *যিকোনো দুটাৰ* উত্তৰ লিখিবা ঃ ১০×২=২০

(ক) অসমীয়া ভাষিক আৰু সাহিত্যিক পটভূমি নির্মাণত খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ অৱদান সম্পর্কে বহলাই আলোচনা কৰা।

(খ) হেমচন্দ্ৰ বৰুৱাই স্ত্ৰী শিক্ষাৰ কাৰণে কেনেদৰে উপদেশ দিছিল?

(গ) কমলাকান্ত ভট্টাচার্যৰ 'জাতীয় গৌৰৱ' কবিতাটিত স্বদেশ প্ৰেমৰ ভাব কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা।

(ঘ) 'মিৰিজীয়ৰী' উপন্যাসৰ মাজেদি মিচিং সমাজৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত বহলাই আলোচনা কৰা।

(ঙ) 'ডান্টে-বিয়েট্ৰিছৰ প্ৰেম এক স্বৰ্গীয় প্ৰেম'—বাণীকান্ত কাকতিৰ 'কবিৰ অহৈতুকী প্ৰীতি' প্ৰবন্ধৰ আধাৰত বিচাৰ কৰা।

---